পালন নকৰে।

## গান্ধীজীৰ অহিংসাৰ ধাৰণা
## (Gandhiji's Concept of Ahimsa or Non-violence)

গান্ধীবাদৰ অন্যতম এটা ধৰণা হ'ল "অহিংস নীতি"। গান্ধীজীৰ বাবে ই অকল এটা নীতিয়েই নহয়, তেওঁ আজীৱন এই নীতিটোক আখৰে আখৰে পালন কৰিছিল। গান্ধীজীৰ বাবে ই এটা কৰ্ম পদ্ধতিও। তেওঁ অহিংস-পদ্ধতি অনুসৰণ কৰি স্বাধীনতা সংগ্ৰাম কৰিছে আৰু ইয়াৰ বলতে তেওঁ ভাৰতবৰ্ষৰ স্বাধীনতা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

গান্ধীজীৰ মতে "অহিংস নীতি" আমি সাধাৰণতে অহিংসা বুলিলে যিটো বুজো সেইটো ইয়াৰ প্ৰকৃত অৰ্থ নহয়। সাধাৰণতে অহিংসা বুলিলে কোনো জীৱন্ত প্ৰাণীক আঘাত নকৰা বুজায়। ইয়াত অহিংসাৰ আংশিক অৰ্থহে প্ৰকাশ পাইছে। মহাত্মা গান্ধীৰ মতে অহিংস নীতিৰ প্ৰকৃত অৰ্থ হ'ল ঃ



Scanned by CamScanner

১। কুচিন্তা নকৰা,
২। মিছা কথা নোকোৰা,
৩। কাকো হিংসা নকৰা,
৪। কাৰো প্ৰতি বিদ্বেষভাব পোষণ নকৰা,
৫। আনৰ মনত আঘাত নিদিয়া আৰু
৬। আনৰ বাবে প্ৰয়োজনীয় বস্তু নিজৰ হাতত নৰখা।

গান্ধীজীয়ে আনক মাত-কথা, কাম, চিন্তাৰে আঘাত নকৰাকে "অহিংসা" বুলি কৈছে। এতেকে গান্ধীয়ে "অহিংসা"ক এটা বহল অৰ্থত ব্যৱহাৰ কৰিছে। গান্ধীজীৰ মতে অহিংসা বুলিলে সৎ কাম, সৎ চিন্তা আৰু সৎ কথাক বুজায়। তেওঁ কৈছে যে অহিংস নীতিক দুৰ্বলৰ অস্ত্ৰ বুলি ভবা উচিত নহয়। কাপুৰুষ আৰু দুৰ্বল ব্যক্তিয়ে এই নীতিক প্ৰয়োগ কৰিব নোৱাৰে। অহিংস নীতি হ'ল শক্তিশালী ব্যক্তিৰ অস্ত্ৰ। যি অহিংস নীতিক পালন কৰে, তেওঁ প্ৰয়োজন হ'লে শক্তি বা বল প্ৰয়োগ কৰিব পাৰে। তেওঁ অহিংস নীতিক পালন কৰাৰ মূল কাৰণ হ'ল যে হিংসাতকৈ অহিংসাই সদায় শ্ৰেষ্ঠ। এতেকে দেখা গ'ল যে গান্ধীজীয়ে বহল অৰ্থত অহিংসাৰ ধাৰণাক ডাঙি ধৰিছে।

গান্ধীজীয়ে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম পৰিচালনা কৰোতে সদায় এই নীতিক মানি চলিছিল। অহিংস নীতিৰ ভিত্তিতেই গান্ধীয়ে অসহযোগ, আইন অমান্য আৰু ভাৰত-ত্যাগ আন্দোলনৰ আহ্বান দিছিল। যেতিয়াই স্বাধীনতা সংগ্ৰামীসকলে হিংসাৰ আশ্ৰয় লৈছিল, তেতিয়াই গান্ধীজীয়ে আন্দোলন স্থগিত ৰাখিবৰ বাবে আহ্বান জনাইছিল। পাকিস্তানৰ দাবী লৈ যেতিয়া হিন্দু-মুছলমানৰ মাজত হিংসাত্মক ঘটনা ঘটিছিল, তেতিয়া গান্ধীজীয়ে অনশনৰ জৰিয়তে দুয়ো সম্প্ৰদায়ক শান্তিত বসবাস কৰিবলৈ আৱেদন জনাইছিল। গতিকে গান্ধীজীৰ বাবে অহিংস নীতি হ'ল এটি শক্তিশালী উপায় যাৰ জৰিয়তে সকলো সমস্যাক সমাধান কৰিব পাৰি। গান্ধীজীয়ে ব্যক্তিগত জীৱনতো সদায় অহিংস নীতিক পালন কৰিছিল। গান্ধীজীয়ে ৰাষ্ট্ৰকো অহিংস নীতি পালন কৰিবলৈ কৈছে। তেওঁৰ মতে অহিংস নীতিৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰই কাৰ্য পৰিচালনা কৰা উচিত। গান্ধীয়ে উপলব্ধি কৰিছে যে ৰাষ্ট্ৰই কিছু পৰিমাণে শক্তি প্ৰয়োগ কৰিব লাগিব। কিন্তু ৰাষ্ট্ৰই কম পৰিমাণে শক্তি প্ৰয়োগ কৰা উচিত। ৰাষ্ট্ৰই যিকোনো বিপ্লৱৰ সন্মুখীন হ'বৰ বাবে শক্তি প্ৰয়োগ কৰিব পাৰে। এতেকে গান্ধীয়ে ৰাষ্ট্ৰক সীমিতভাৱে শক্তি ব্যৱহাৰ কৰিবলৈ বাধা দিয়া নাই। ৰাষ্ট্ৰই জনসাধাৰণৰ জীৱন ৰক্ষা কৰিব লাগিব আৰু হিংসাত্মক কাৰ্য-কলাপত লিপ্ত থকাসকলক দমন কৰিব লাগিব। বাস্তৱবাদী হিচাপে গান্ধীয়ে স্বীকাৰ কৰিছে যে ৰাষ্ট্ৰই প্ৰয়োজন হ'লে শক্তিৰ সহায় ল'ব লাগিব। গান্ধীৰ মতে আদৰ্শ ৰাষ্ট্ৰ (Ram Rajya)-ত ৰাষ্ট্ৰই নূন্যতম শক্তি প্ৰয়োগ কৰিবলগীয়া হ'ব।

এইখিনিতে উল্লেখ কৰা উচিত যে বাস্তৱ জগতত গান্ধীজীৰ অহিংস নীতিৰ সীমাবদ্ধতা আছে। অহিংস নীতি বৰ মূল্যবান আৰু এই নীতিক পালন কৰিব পাৰিলে যে জাতীয় আৰু আন্তৰ্জাতিক ক্ষেত্ৰত শান্তি আৰু সম্প্ৰীতি বিৰাজ কৰিব সেই বিষয়ে সন্দেহ নাই। কিন্তু বাস্তৱ ক্ষেত্ৰত এই নীতিক বৰ্তমানে কাৰ্যকৰী কৰা সম্ভৱপৰ নহয়। কাৰণ, শক্তিৰ ব্যৱহাৰ পৰিত্যাগ কৰিবলৈ কোনো সাজু নহয়।

Scanned by CamScanner

তাৰোপৰি সকলো মানুহে এই নীতিত বিশ্বাস নকৰিব পাৰে। কিছুমানে হিংসাৰ জৰিয়তে সমস্যাৰ সমাধান কৰিব বিচাৰে। এওঁলোকে অহিংস নীতিৰ সুযোগ লৈ সমাজত অশান্তিৰ সৃষ্টি কৰিব পাৰে। আকৌ, সাধাৰণ মানুহ মুনি বা ঋষিৰ দৰে নহয়। কিছুমানৰ গাত পাশৱিক গুণ থাকে। সেয়েহে ৰাষ্ট্ৰই সময়ত শক্তি প্ৰয়োগ কৰিবই লাগিব। মানুহৰ পাশৱিক শক্তিক দমাই ৰাখিবৰ বাবে ৰাষ্ট্ৰই সময়ত শক্তি প্ৰয়োগ কৰিবই লাগিব। মানুহৰ পাশৱিক শক্তিক দমাই ৰাখিবৰ বাবে ৰাষ্ট্ৰই সদায় শক্তি অৰ্থাৎ হিংসা নীতিক অৱলম্বন কৰিবলৈ সাজু থাকিব লাগিব।

সকলো সমাজতে সমাজ বিৰোধী আৰু অপৰাধী লোক বাস কৰে। এইবিলাকক দমন নকৰিলে যিকোনো সমাজত মানুহ শান্তিত বসবাস কৰিব নোৱাৰে। ৰাষ্ট্ৰৰ কৰ্তব্য হ'ল শান্তি ৰক্ষা কৰা। অকল অহিংস নীতিৰ জৰিয়তে ৰাষ্ট্ৰই আইন-শৃঙ্খলা ৰক্ষা কৰি সমাজত শান্তি স্থাপন কৰিব নোৱাৰে। আনকি, আত্মৰক্ষাৰ বাবেও মানুহে কেতিয়াবা হিংসাৰ আশ্ৰয় ল'বলগীয়া হয়।

আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ বাবেও শক্তিৰ প্ৰয়োজন আছে। প্ৰত্যেক ৰাষ্ট্ৰই নিজক ৰক্ষা কৰিবৰ বাবে প্ৰয়োজন হ'লে শক্তিৰ সহায় ল'ব লাগিব। সেয়েহে বিশ্বৰ ৰাষ্ট্ৰসমূহে আত্মৰক্ষাৰ বাবে অস্ত্ৰ-শস্ত্ৰ মজুত ৰাখে। এতেকে দেখা যায় যে সদায় অহিংস নীতি পালন কৰা সম্ভৱপৰ নহয়।

এইখিনিতে মনত ৰখা উচিত যে গান্ধীৰ অহিংস নীতি অ-প্ৰাসঙ্গিক আৰু কাল্পনিক নহয়। অহিংস নীতি পুৰাপুৰিকৈ মানি চলিব নোৱাৰিলে ব্যক্তিগত, জাতীয় আৰু আন্তৰ্জাতিক ক্ষেত্ৰত যিমান সম্ভৱ সিমান কম শক্তি প্ৰয়োগ কৰা উচিত। তেতিয়াহে পৃথিৱীত শান্তি বিৰাজ কৰিব।

Scanned by CamScanner